# প্ৰণৱী গগৈৰ কবিতা

**গছ**

মই মোক ৰোপণ কৰিছোঁ
মেলিছোঁ পোখা
বহলকৈ মেলি দিছোঁ ডাল-পাত
বতাহৰ স'তে খেলিছোঁ
লাহে লাহে হৈ গৈ আছোঁ ওখ

ৰ'দক বোলা নাই ৰ'দ
বৰষুণক বোলা নাই বৰষুণ
এজাক চৰাই টোপনিৰ পৰা জাগিছে
এটা চেঁচা দোকমোকালিত
নিয়ৰ পৰিছে পাতত
মোৰ বুকুৰেদি আহিছে সেউজীয়া বসন্ত
ৰঙাতকৈ ৰঙা হৈ ফুলিছোঁ
হেমন্তত হৈ পৰিছোঁ নগ্ন
মোৰ নগ্নতাত মুগ্ধ শীতৰ জড়তা
এবুকু বিষাদ সাবটি গঙাচিলনী
প্ৰতি প্ৰভাততে জিলিকি উঠে ৰ'দকাচলি
চৰাইবোৰক দিছোঁ স্বাধীনতা উৰিবলৈ
ইমূৰৰপৰা সিমূৰলৈ
সুমিষ্ট ফল বুটলি সুখী বাটৰুৱা
হঠাৎ অনুভৱ কৰিলোঁ
এডাল চুলি পকিছে
শিপা থামুচি ছাঁ দিব পৰা এজোপা গছ

**মুখা**

মুখত ওলমি আছে মুখা
নিঃশব্দ মুখাবোৰ সময়ৰ দাবীদাৰ
মুখাৰ দখলত হৃদয় আৰু মস্তিষ্ক
মুখা পিন্ধি দম্ভ অহংকাৰ নিষ্পেষণ নিপীড়ন দুৰ্নীতি
মুখাত বন্দী শতিকাটো

কোনো ভ্ৰুক্ষেপ নাই
যিয়ে লালন কৰে মানৱতাক
মুখাহীন মায়াময় সৰলতাৰ
মুখা নিপিন্ধালৈকে নিভাঁজ মানুহৰ ইতিহাস
মুখাবোৰ হৃদয়ত পিন্ধি ফৰিংফুটা ৰাতি

মোহনীয়া কন্ঠস্বৰ

মুখাবোৰে সলায় দিন ৰাতি, সুখ দুখৰ ৰং
খুলিব পৰা হ'লে মুখাৰ আঁৰৰ মুখা!
মুখ আৰু মুখাৰ পৃথক পৰিচয়
মুখাবোৰে হাঁহিছে
ৰহস্যময় মুখ আৰু মুখা